

## ৰাজভৱন, অসম

# ৰাজ্যপাল অসমৰ প্ৰতিভা উদগনিমূলক আঁচনি ২০২৫-২৬

ৰাজভৱন, অসমে 'আৰ্য প্ৰতিভা বিকাশ সংস্থানৰ অংশীদাৰিত্বত এটি সন্মানীয় জলপানিৰ বাবে অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা অসমৰ ইচ্ছুক যুৱক-যুৱতীসকলৰ পৰা আবেদন-পত্ৰ বিচাৰিছে। এই পদক্ষেপৰ লক্ষ্য হ'ল যোগ্য প্ৰাৰ্থীসকললৈ বিত্তীয় সাহায্য আৰু উন্নতমানৰ গুণগত প্ৰশিক্ষণ প্ৰদান কৰা যাতে তেওঁলোকে এগৰাকী অসামৰিক বিষয়া হোৱাৰ প্ৰচেষ্টাত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়।

## কাৰ্যসূচীৰ অৱলোকন

- অংশীদাৰী সংস্থা : আৰ্য প্ৰতিভা বিকাশ সংস্থান
- পৃষ্ঠপোষকতাৰ সংখ্যা : ১০ গৰাকী প্ৰত্যাশী প্ৰাৰ্থী প্ৰতক্ষ মোড প্ৰশিক্ষণ, দিল্লী, এন চি আৰ
- বাছনি প্ৰক্ৰিয়া : প্ৰাৰ্থীসকলক সদৌ অসম প্ৰতিভা সন্ধানী পৰীক্ষা আৰু তাৰ পিছত গ্ৰুপ কাউন্সেলিং আৰু ব্যক্তিগত সাক্ষাৎকাৰৰ জৰিয়তে বাছনি কৰা হ'ব।

  (টোকা : ৰাজভৱন, অসমৰ বিবেচনা অনুযায়ী পৃষ্ঠপোষকতা লাভ কৰা প্ৰত্যাশী প্ৰাৰ্থীৰ সংখ্যা ভিন্ন হ'ব পাৰে।)
- পৰীক্ষা কেন্দ্ৰ : দ্বাদশ আৰু স্নাতকৰ নম্বৰৰ ভিত্তিত তালিকাভুক্ত ৪,০০০ প্ৰাৰ্থীৰ বাছনি পৰীক্ষা ২০২৫ চনৰ ২৪ আগষ্ট গুৱাহাটী, তেজপুৰ, যোৰহাট, শিলচৰ, ডিব্ৰুগড়, কোকৰাঝাৰ, ডিফু, বাক্সা আৰু হাফলংত অনুষ্ঠিত কৰা হ'ব। গ্ৰুপ কাউন্সেলিং আৰু ব্যক্তিগত সাক্ষাৎকাৰ কেৱল গুৱাহাটীত অনুষ্ঠিত কৰা হ'ব।

## আগ্ৰহী প্ৰাৰ্থীসকলৰ বাবে গুৰুত্বপূৰ্ণ তাৰিখ

| | | |
|---|---|---|
| আবেদন দাখিল কৰাৰ অন্তিম তাৰিখ | ঃ | ৭ আগষ্ট, ২০২৫ |
| লিখিত পৰীক্ষা | ঃ | ২৪ আগষ্ট, ২০২৫ |
| লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা | ঃ | ৩১ আগষ্ট, ২০২৫ |
| গ্ৰুপ কাউন্সেলিঙৰ সম্ভাব্য তাৰিখ | ঃ | ১৪ ছেপ্টেম্বৰ, ২০২৫ |
| সাক্ষাৎকাৰৰ সম্ভাব্য তাৰিখ | ঃ | ১৫ ছেপ্টেম্বৰ, ২০২৫ |
| চূড়ান্ত ফলাফল ঘোষণাৰ সম্ভাব্য তাৰিখ | ঃ | ২৪ ছেপ্টেম্বৰ, ২০২৫ |

এই লিংকৰ https://gappy.assam.gov.in জৰিয়তে সম্পূৰ্ণ আবেদন তথা নথিপত্ৰসহ ৭ আগষ্ট, ২০২৫ তাৰিখৰ দুপৰিয়া ১ঃ০০ বজাৰ ভিতৰত অনলাইন যোগে জমা দিব লাগিব।

টোকা : **লিখিত পৰীক্ষাৰ ফলাফল আৰু চূড়ান্ত ঘোষণা অফিচিয়েল ৱেবছাইট https://gappy.assam.gov.inত উপলব্ধ হ'ব। নিৰ্দিষ্ট তাৰিখত ৱেবছাইটটো নিৰীক্ষণ আৰু পৰীক্ষা কৰাটো প্ৰাৰ্থীসকলৰ নিজা দায়িত্ব। এই দায়িত্ব ল'ব নোৱাৰিলে কোনো প্ৰাৰ্থীয়ে প্ৰাসংগিক সময়সীমাৰ বাধ্যবাধকতাৰ পৰা ৰেহাই নাপাব।**

## চৰ্ত আৰু নিয়মাৱলী

- ৰাজভৱন, অসম দ্বাৰা আয়োজিত কৰা স্ক্ৰিণিং টেষ্ট, গ্ৰুপ কাউন্সেলিং আৰু ব্যক্তিগত সাক্ষাৎকাৰত প্ৰদৰ্শন কৰা পাৰদৰ্শিতাৰ ওপৰত ভিত্তি কৰি বাছনি কৰা হ'ব। দ্বাদশ শ্ৰেণী আৰু স্নাতক পৰ্যায়ত পোৱা নম্বৰৰ শতাংশৰ ওপৰত ভিত্তি কৰি প্ৰাৰ্থীসকলক লিখিত পৰীক্ষাৰ বাবে বাছনি কৰা হ'ব।
- বাছনিকৃত প্ৰাৰ্থীসকলৰ পঞ্জীভুক্ত ই-মেইললৈ প্ৰৱেশ পত্ৰ প্ৰেৰণ কৰা হ'ব। প্ৰৱেশ পত্ৰৰ কোনো কায়িক প্ৰতিলিপি প্ৰদান কৰা নহ'ব। প্ৰাৰ্থীসকলে তেওঁলোকৰ প্ৰৱেশ পত্ৰ তেওঁলোকৰ ই-মেইলৰ পৰা ডাউনলোড কৰি তাৰ ছপা কপি সংগ্ৰহ কৰিব।
- জলপানিয়ে প্ৰশিক্ষণ কাৰ্যসূচীৰ লগত জড়িত প্ৰশিক্ষণৰ ব্যয়, থকা-মেলা আৰু খাদ্যৰ ব্যয় সামৰি ল'ব। এই জলপানিয়ে সামৰি লোৱা ব্যয়ৰ
- বাহিৰে অন্যান্য যিকোনো অতিৰিক্ত ব্যয়, খৰচ-পাতি বা ব্যক্তিগত প্ৰয়োজনীয়তাৰ সম্পূৰ্ণ দায়িত্ব প্ৰাৰ্থীৰ নিজৰ হ'ব।

  প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক প্ৰত্যক্ষভাৱে ধন প্ৰদান কৰা হ'ব; প্ৰাৰ্থীসকলক প্ৰত্যক্ষভাৱে কোনো ধন প্ৰদান কৰা নহ'ব।
- এই জলপানিৰ সুবিধা আনলৈ হস্তান্তৰযোগ্য নহয় আৰু ইয়াক বিলম্বিত কৰা বা নগদ ধনলৈ পৰিৱৰ্তন কৰিব নোৱাৰিব।
- এই ক্ষেত্ৰত যিকোনো ধৰণৰ বিবাদ অথবা খেলিমেলি নিষ্পত্তিৰ কৰ্তৃত্ব কেৱল ৰাজভৱন, অসমৰ থাকিব।

ইচ্ছুক শিক্ষাৰ্থীয়ে যিকোনো ধৰণৰ অনুসন্ধানৰ বাবে pratibhaprotsahanyojana@gmail.com লৈ মেইল কৰিব পাৰে।

**ৰাজভৱন, অসম**